ক্ৰীড়াংগণৰ

মহীৰূহ



নৃপেন্দ্ৰ নাৰায়ণ সিংহ ক্ৰীড়া সংগঠক বঁটা ন্যাস, যোৰহাট

Sarbananda Sonowal

सत्यमेव जयते

Chief Minister, Assam
Guwahati

Dispur
3rd November, 2017

MESSAGE

I am delighted to know that the Nripendra Narayan Singha Sports Organizer Award Trust is publishing a commemorative volume on the life and works of this celebrated sports organizer of the state.

Nripendra Narayan Singha was the direct descendant of the last Ahom King Purandar Singha and a true guardian of Assam sports for several decades. He was instrumental in setting up the State Sports Council, Assam and served the organization as joint secretary and adviser upto 1998. Under his guidance many sportspersons of national and international repute emerged from Assam. Singha was a first class football referee and was the chairman of the Assam Football Association's (AFA) referee board for several years from 1956.

I convey my best wishes to the Trust for publication of the book and hope that the commemorative volume unfolds personal and public life of late Singha in all aspects and is appreciated by all.

(SARBANANDA SONOWAL)

দৈনিক অগ্ৰদূত ৯ জুন ২০০৩ সোমবাৰ পৃষ্ঠা ৭

পুলিন দাসলৈ ক্ৰীড়া সংগঠক বঁটা প্ৰদান

গুৱাহাটী, ৮ জুন ঃ গুৱাহাটী প্ৰেছ ক্লাবত আজি সন্ধিয়া অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ক্ৰীড়া পেঞ্চনাৰ পুলিন দাসক নৃপেন্দ্ৰ নাৰায়ণ সিংহ ক্ৰীড়া সংগঠক বঁটা প্ৰদান কৰে। এই বঁটাত আছে এখন মানপত্ৰ আৰু ১০ হেজাৰ টকা। অনুষ্ঠানত ৰাজ্যিক ক্ৰীড়া মন্ত্ৰী ৰবীন বৰদলৈ, সাংসদ বিজয় কৃষ্ণ সন্দিকৈ উপস্থিত থাকে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা খেলুৱৈ বঁটা প্ৰৱৰ্তনৰ চিন্তা চৰ্চা কৰাৰ কথা উল্লেখ কৰে।

WEDNESDAY, JANUARY 28, 2015

NN Singha passes away

SPORTS REPORTER

GUWAHATI, Jan 27: Veteran sports organizer Nripendra Narayan Singha, Nripenda for all, died at his Jorhat's residence this morning due to old age ailment. The octogenarian (86 years) sports organizers was the direct descendant of the last Ahom King Purandar Singha.

Born in 1925, Nripenda was treated as a true guardian of Assam sports for several decades, till he retired as adviser of the State Sports Council, Assam (SSCA) in 1998. Singha was a first class football referee and was the first referee from Assam to officiate the final match of the Santosh Trophy in the year 1964 between Railways and Bengal. He was the chairman of the Assam Football Association's (AFA) referee board for several years from 1956. He also adorned the AFA secretary's post from 1979 to 1984.

Nripenda was instrumental in setting up the SSCA and served the organization as



joint secretary from 1960 to 1990. During that period Assam was a leading force in the All India Rural Games from which several international star sportspersons emerged. Assam also produced numerous national stars during Nripenda's tenure.

Loved and respected for his amicable disposition and dedication for the cause of State sports, Nripenda was a confirmed bachelor. He passed the most valuable period of his life here and offered his service to the State by organizing various sporting activities.

His death has been largely mourned by the sporting fraternity of the State. Assam Olympic Association secretary and State TT body president Rokibul Hussain, secretary Tridib Duvarah, AFA secretary Ankur Dutta, Assam Cricket Association, Veterans Cricket Association, Assam, State sepak takraw association, State kabaddi body, Guwahati Sports Association, Assam Badminton Association along with several individuals and organizations mourned the death of the veteran sports organizer.

প্ৰেমকান্ত ডেকাক নৃপেন্দ্ৰ নাৰায়ণ সিংহ ক্ৰীড়া সংগঠক বঁটা প্ৰদান

তেজপুৰ ঃ বিশেষ প্ৰতিনিধি, ৭ ছেপ্টেম্বৰ ঃ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হোৱাৰ পাছত বৰ্তমানে সাময়িকভাবে নিজ বাসগৃহতে চিকিৎসাধীন অৱস্থাত থকা তেজপুৰৰ বিশিষ্ট ক্ৰীড়া সংগঠক, অসম চৰকাৰৰ ক্ৰীড়া পেঞ্চন প্ৰাপক প্ৰেমকান্ত ডেকাক আজি তেজপুৰৰ পল ফিল্ডৰ ইনড'ৰ ষ্টেডিয়াম প্ৰেক্ষাগৃহত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত যোৰহাটৰ নৃপেন্দ্ৰ নাৰায়ণ সিংহ ক্ৰীড়া সংগঠক বঁটা প্ৰদান ন্যাসে ২০১৩ বৰ্ষৰ নৃপেন্দ্ৰ নাৰায়ণ সিংহ ক্ৰীড়া সংগঠক বঁটা প্ৰদান কৰে। তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, বৰ্তমানৰ উপ-সভাপতি, অসম ফুটবল সন্থাৰ প্ৰাক্তন উপ-সভাপতি, অসম আৰ্চাৰী সন্থাৰ প্ৰতিষ্ঠাপক উপ-সভাপতি, অসম এমেচাৰ এথলেটিক্স সন্থাৰ প্ৰাক্তন উপ-সভাপতি, অসম অলিম্পিক সন্থাৰ প্ৰাক্তন যুটীয়া সম্পাদক, অসম সাঁতোৰ সন্থাৰ প্ৰাক্তন উপ-সভাপতি, অসম ক্ৰীড়া পৰিষদৰ সদস্য, অসম ক্ৰীড়া বিকাশ পৰিষদৰ উপদেষ্টা, অসম টেবুল টেনিছ সন্থাৰ প্ৰাক্তন সহকাৰী সম্পাদক, মণিপুৰ ৰাষ্ট্ৰীয় গেমছত অসম ফুটবল দলৰ মেনেজাৰ, তেজপুৰ জিলা সাঁতোৰ সন্থাৰ বৰ্তমানৰ সভাপতি, তেজপুৰ আৰ্চাৰী সন্থাৰ মুখ্য উপদেষ্টা, শোণিতপুৰ কাৰাটে সন্থাৰ উপ-সভাপতি, শোণিতপুৰ লন টেনিছ খেলৰ প্ৰতিষ্ঠাপক এইপ্ৰবীণ ক্ৰীড়া সংগঠকগৰাকীক তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সহযোগত যোৰহাটৰ এই বিশেষ ন্যাসে আয়োজন কৰা বঁটা প্ৰদান অনুষ্ঠানটোত প্ৰেমকান্ত ডেকাক ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ আৰু নগদ ধনেৰে নৃপেন্দ্ৰ নাৰায়ণ সিংহ ক্ৰীড়া সংগঠক বঁটা প্ৰদান কৰে। ন্যাসৰ অধ্যক্ষ ৰোহিণী কুমাৰ বৰুৱাৰ পৌৰোহিত্যত সম্পাদক ড° তপন দত্তই আঁত ধৰা অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বীৰেন দাসে ন্যাসৰ পক্ষত বঁটা প্ৰদান অনুষ্ঠান উপলক্ষে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থৰ উন্মোচন কৰে। তেজপুৰৰ বিধায়ক তথা তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি ৰাজেন বৰঠাকুৰে আদৰণি ভাষণ দিয়া অনুষ্ঠানটোত তেজপুৰ পৌৰ সভাৰ সভাপতি আলাউদ্দিন আহমেদ, অসম খো খো সন্থাৰ সভাপতি তথা শোণিতপুৰৰ অতিৰিক্ত উপায়ুক্ত ৰাজীৱ প্ৰকাশ বৰুৱাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। তেজপুৰৰ এই প্ৰবীণ ক্ৰীড়া সংগঠকগৰাকীৰ জীৱন দৰ্শন, তেজপুৰ জিলা ক্ৰীড়া সম্পাদক মৃদুল শৰ্মাই দাঙি ধৰা অনুষ্ঠানটোত প্ৰেমকান্ত ডেকাক তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ লগতে তেজপুৰ ক্ৰিকেট সন্থা, পূব শোণিতপুৰ ক্ৰীড়া সন্থা, অসম অলিম্পিক সন্থাৰ যুটীয়া সম্পাদক অনুপ চৌধুৰী, শোণিতপুৰ হেণ্ডবল সন্থা, টাই কোৱাণ্ডো সন্থা, বাণ থিয়েটাৰ, বৌমাৰনী আঞ্চলিক ক্ৰীড়া সন্থা, এন ই স্প'ৰ্টছ ফাউণ্ডেশ্যন, উষা নগৰ সমন্বয় সংঘকে ধৰি প্ৰায় একুৰি ক্ৰীড়া আৰু অন্য সংগঠনে সম্মাষণ জ্ঞাপন কৰে।

THE DAINIK JANAMBHUMI Jorhat Sunday September 8, 2013

নৃপেন্দ্ৰ নাৰায়ণ সিংহ বঁটা প্ৰেমকান্ত ডেকাক প্ৰদান

জিলাৰ বাতৰি দিওঁতা

তেজপুৰ, ৭ ছেপ্টেম্বৰ ঃ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হোৱাৰ পিছত বৰ্তমানে সাময়িকভাৱে নিজ বাসগৃহতে চিকিৎসাধীন অৱস্থাত থকা তেজপুৰৰ বিশিষ্ট ক্ৰীড়া সংগঠক, অসম চৰকাৰৰ ক্ৰীড়া পেন্সনাৰ প্ৰেমকান্ত ডেকাক আজি তেজপুৰৰ পল ফিল্ডৰ ইনড'ৰ ষ্টেডিয়াম প্ৰেক্ষাগৃহ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নৃপেন্দ্ৰ নাৰায়ণ সিংহ বঁটা প্ৰদান কৰে। তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, বৰ্তমানৰ উপ-সভাপতি, অসম ফুটবল সন্থাৰ প্ৰাক্তন উপ-সভাপতি, অসম আৰ্চাৰী সন্থাৰ প্ৰতিষ্ঠাপক উপ-সভাপতি, অসম এমেচাৰ এথলেটিক সন্থাৰ প্ৰাক্তন উপ-সভাপতি, অসম অলিম্পিক সন্থাৰ প্ৰাক্তন যুটীয়া সম্পাদক, অসম সাঁতোৰ সন্থাৰ প্ৰাক্তন উপ-সভাপতি, অসম ক্ৰীড়া পৰিষদৰ সদস্য এই প্ৰবীণ ক্ৰীড়া সংগঠকগৰাকীক তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সহযোগত যোৰহাটৰ এই বিশেষ ন্যাসে আয়োজন কৰা বঁটা প্ৰদান অনুষ্ঠানটিত প্ৰেমকান্ত ডেকাক ফুলাম গামোচা, সম্বৰ্দ্ধনা পত্ৰ আৰু নগদ ধনেৰে নৃপেন্দ্ৰ নাৰায়ণ সিংহ ক্ৰীড়া সংগঠক বঁটা প্ৰদান কৰে। ন্যাসৰ অধ্যক্ষ ৰোহিণী কুমাৰ বৰুৱাৰ পৌৰোহিত্যত সম্পাদক ড° তপন দত্তই আঁত ধৰা অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বীৰেন দাসে ন্যাসৰ পক্ষত বঁটা প্ৰদান অনুষ্ঠান উপলক্ষে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থৰ উন্মোচন কৰে। তেজপুৰৰ বিধায়ক তথা তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি ৰাজেন বৰঠাকুৰে আদৰণী ভাষণ দিয়া অনুষ্ঠানটিত তেজপুৰ পৌৰ সভাৰ সভাপতি আলাউদ্দিন আহমেদ, অসম খো খো সন্থাৰ সভাপতি তথা শোণিতপুৰৰ অতিৰিক্ত উপায়ুক্ত ৰাজীৱ প্ৰকাশ বৰুৱাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে।

(বাৰ) দৈনিক অসম, ডিব্ৰুগড়, ৮ ছেপ্টেম্বৰ, ২০১৩

ক্ৰীড়াক্ষেত্ৰলৈ বহুমূলী যোগান আহিছে। ১৯৬০ চনত তেতিয়াৰ এ এচ টি এ আৰু আছিল সুপৰিচিত ৰাজ্যিক ক্ৰীড়া পৰিষদৰ ... যোগদান কৰে। ১৯৯০ চনত যুটীয়া সচিবৰূপে তেওঁ পৰিষদৰ পদ ... গ্ৰহণ কৰে। সেই বছৰতেই ৰাজ্য চৰকাৰে তেওঁক ... ক্ৰীড়া পেঞ্চন আগবঢ়াই সন্মানিত কৰে। ফুটবল খেলুৱৈ হিচাপে পিছৰ অন্যতম কৃতিত্ব হ'ল- ১৯৬৪ চনত ... হোৱা ... সত্ত্বেও ট্ৰফিৰ ফাইনেল খেল ... কৰাটো। তেনে এজন ক্ৰীড়াপ্ৰাণ ব্যক্তিক ক্ৰীড়া ... সন্মান জনালে আৰু নাগৰ আনন্দনীয় কাম ... ক্ৰীড়া মহলত আলোচিত হৈছে।

ইয়াতে উল্লেখনীয় যে ... পুলিন দাসে হ'ল অসমীয়াৰে ... ক্ৰীড়া ক্ষেত্ৰত ... নিশ্চয় তেওঁ প্ৰথম ... ১৯২৮ চনৰ এক ... আছিল। ... ট্ৰফীৰ অন্যতম উদ্যোক্তা পুলিন দাস ... ক্ৰিকেট সন্থাৰো প্ৰতিষ্ঠাতা সম্পাদক আছিল। ... তেওঁ অসম অলিম্পিক, লন টেনিছ, বেডমিন্টন আৰু টেবুল টেনিছ আদি সন্থাৰ উপ-সভাপতি হৈছিল। ৮৫ বছৰ বয়সতো পুলিন দাসে আজিও নিয়মিত টেনিছ খেলে ইণ্ডিয়া ক্লাবত।

আজি

সোমবাৰ ৯ জুন ২০০৩ ■ সাত

উপৰোক্ত মৃত্যুঞ্জয়ী ব্যক্তিজনেই অসমৰ ক্ৰীড়া জগতৰ জীৱন্ত কিংবদন্তী স্বৰূপ। চিৰকুমাৰ নৃপেন্দ্ৰ নাৰায়ণ সিংহৰ জন্ম হৈছিল ১৯২৮ চনত, যোৰহাটত। আহোম ৰাজতন্ত্ৰৰ অন্যতম প্ৰতিনিধিস্বৰূপ সিংহৰ পিতৃ আছিল প্ৰয়াত নৰেশ্বৰ সিংহ। ১৯৫০ চনত যোৰহাট ক্লাবৰ হৈ তেওঁ নগাঁৱত হোৱা স্বাধীনতা দিৱস কাপ ... আগবঢ়াইছিল। সেয়াই আছিল হয়তো ক্ৰীড়া ক্ষেত্ৰত সিংহৰ আনুষ্ঠানিক প্ৰৱেশ। পিছৰ বছৰ নৃপেন সিংহই মেনেজাৰ হিচাপে দক্ষতা দেখুৱায় গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰিকেট দলক পৰিচালনা কৰি। সেইটো দলে ফাইনেল খেলি পৰাজিত হৈছিল। নৃপেন্দ্ৰ নাৰায়ণ সিংহই খেলুৱৈ, দলৰ মেনেজাৰ, ৰেফাৰী, নিৰ্বাচক আৰু ফুটবল, হকী, কাবাডী, খো-খো, আৰ্চাৰী, বক্সিং আদি বিভিন্ন খেলৰ ৰাজ্যিক পৰ্যায়ৰ সভাপতি, সম্পাদক অথবা উপদেষ্টা হিচাপে ৰাজ্যৰ

দৈনিক জনমভূমি

THE DAINIK JANAMBHUMI

Jorhat Monday January 24, 2011

যোৰহাট সোমবাৰ ৯ মাঘ ১৯৩২ শক

নৃপেন্দ্ৰ নাৰায়ণ সিংহ স্পৰ্টছ অৰ্গেনাইজাৰ এৱাৰ্ড ট্ৰাষ্টৰ কুশল কোঁৱৰ ইনড'ৰ ষ্টেডিয়ামত অলপতে অনুষ্ঠিত চতুৰ্থ বঁটা প্ৰদান অনুষ্ঠানত ৮২ বছৰীয়া, নিস্বাৰ্থ, আজীৱন ক্ৰীড়া সাধক নৃপেন্দ্ৰ নাৰায়ণ সিংহক ৰাজহুৱাভাৱে কেন্দ্ৰীয় মন্ত্ৰী তথা ট্ৰাষ্টৰ সভাপতি বিজয় কৃষ্ণ হেণ্ডিকেয়ে সম্বৰ্ধনা জনায়। ফটো : দৈনিক জনমভূমি

অসমীয়া প্ৰতিদিন ■ সোমবাৰ, ৯ জুন, ২০০৩/২৫ জেঠ, ১৯২৫ শক

■ যোৰহাটৰ নৃপেন্দ্ৰ নাৰায়ণ সিংহ ক্ৰীড়া সংগঠক পুৰস্কাৰ ন্যাসে দেওবাৰে গুৱাহাটী প্ৰেছ ক্লাবত আয়োজন কৰা দ্বিতীয় বিতৰণী অনুষ্ঠানত বিশিষ্ট ক্ৰীড়া সংগঠক পুলিন দাসক এখন প্ৰশংসা পত্ৰ আৰু নগদ ১৭,০০০ টকাৰে সম্বৰ্ধনা জনায় মুখ্যমন্ত্ৰী তৰুণ গগৈ আৰু ক্ৰীড়ামন্ত্ৰী ৰকিবুল হুছেইনে। প্ৰতিদিনৰ ফটো

অসমীয়া খবৰ ৯

পুলিন দাসক নৃপেন্দ্ৰ নাৰায়ণ সিংহ ক্ৰীড়া সংগঠক বঁটা প্ৰদান

আজি

পুলিন দাসলৈ নৃপেন্দ্ৰ নাৰায়ণ সিংহ বঁটা

নৃপেন্দ্ৰ নাৰায়ণ সিংহ বঁটা

অসম গৌৰৱ পৱন গোহাঁইক নৃপেন্দ্ৰনাৰায়ণ সিংহ বঁটা প্ৰদান

পৰিয়ৰ বৰঠাকুৰ, ৫ অক্টোবৰ : ৫০ দশকত কলকাতাত আই এফ এ শ্বিল্ডত ইষ্ট বেংগলৰ বিৰুদ্ধে প্ৰথমে দিনাৰ খেলত গ'লশূন্যভাৱে ড্ৰ হোৱাৰ মহানায়ক অসম গৌৰৱ, শিৱসাগৰৰ পৱন গোহাঁইক যোৱা ৪ অক্টোবৰত নৃপেন্দ্ৰনাৰায়ণ সিংহ শ্ৰেষ্ঠ ক্ৰীড়া সংগঠক বঁটা শিৱসাগৰৰ পিয়লি ফুকন ষ্টেডিয়ামত ক্ৰীড়াপ্ৰেমী ৰাইজৰ উপস্থিতিত কেন্দ্ৰীয় মন্ত্ৰী বিজয়কৃষ্ণ হেণ্ডিকেয়ে ২০ হাজাৰ টকাৰ চেক আৰু মানপত্ৰ প্ৰদান কৰে। কেন্দ্ৰীয় মন্ত্ৰী বিজয়কৃষ্ণ হেণ্ডিকেয়ে কলকাতাত থকাৰ সময়ত উপভোগ কৰা সেই বিখ্যাত আই এফ এ শ্বিল্ডৰ ঐতিহাসিক ইষ্ট বেংগল ক্লাবৰ বিৰুদ্ধে শিৱসাগৰৰ এমেচাৰ ক্লাবে প্ৰথমে দিনাৰ গ'লশূন্যভাৱে ড্ৰ হোৱা খেলখন উপভোগ কৰাৰ স্মৃতি ৰোমন্থন কৰি এনেদৰে কয়- 'সেই বিখ্যাত খেলখনৰ মহানায়ক, অসম গৌৰৱ, শিৱসাগৰৰ প্ৰখ্যাত ফুটবলাৰ, ক্ৰীড়া সংগঠক পৱন গোহাঁইৰ খেল উপভোগ কৰিবলৈ সেই সময়ত কলকাতাত দৰ্শকৰ মাজত হেতা-ওপৰা লাগিছিল। আজি সেইজন ক্ৰীড়াবিদক বঁটা প্ৰদান কৰিবলৈ পাই নিজকে ধন্য মানিছোঁ।' যোৰহাট তথা অসমৰ বিশিষ্ট ক্ৰীড়া সংগঠক নৃপেন্দ্ৰনাৰায়ণ সিংহ ক্ৰীড়া সংগঠক ট্ৰাষ্টে আগ বঢ়োৱা শ্ৰেষ্ঠ ক্ৰীড়া সংগঠক বঁটা প্ৰদান অনুষ্ঠানত ট্ৰাষ্টৰ সম্পাদক ড° তপন দত্তই আঁত ধৰা অনুষ্ঠানত শিৱসাগৰৰ স্থানীয় বিধায়ক প্ৰণৱ গগৈ, অৰ্জুন ভোগেশ্বৰ বৰুৱা, শিৱসাগৰৰ জিলা উপায়ুক্ত নৱাব মামুদ হুছেইন, পৌৰপতি ৰাণা খান, জিলা ক্ৰীড়া সন্থাৰ সম্পাদক প্ৰণৱজিৎ চলিহা, তৰুণ সভাপতি, ননী দত্ত, সুৰেশ বৰুৱা উপস্থিত থাকে।



শ্ৰেষ্ঠ ক্ৰীড়া সংগঠকৰ বঁটা গ্ৰহণ কৰি অসম গৌৰৱ পৱন গোহাঁয়ে আয়োজক কমিটীক ধন্যবাদ জ্ঞাপন কৰে আৰু আশীৰ্বাদ জনায়। তেওঁ কয়, ক্ৰীড়া জীৱনত অৱদান দি অহাৰ বাবে আজি যি সন্মান ৰাইজে যাচিছে সেয়া জীৱনৰ অন্তিম দিনলৈকে মনত থাকিব আৰু ক্ৰীড়াৰ বাবে সেৱা কৰি যাম। সভাত ক্ৰীড়া সংগঠক ননী দত্ত, প্ৰণৱজিৎ চলিহাই পৱন গোহাঁইৰ খেলুৱৈ জীৱনৰ সন্দৰ্ভত কয়। সুৰেশ বৰুৱাৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ মন্ত্ৰী প্ৰণৱ গগৈয়ে আনুষ্ঠানিকভাৱে উন্মোচন কৰি উদ্যোক্তাসকলৰ প্ৰচেষ্টাক শলাগ লয় আৰু পৱন গোহাঁইৰ বিষয়ে কয়।

আমাৰ অসম Amar Asom, Jorhat Edition, Vol. 10, Issue No. 98, 6 October, 2008

পুলিন দাসক নৃপেন্দ্ৰনাৰায়ণ সিংহ ক্ৰীড়া সংগঠকৰ বঁটা প্ৰদান

১০ আমাৰ অসম Vol. 4, Issue No. 336 Jorhat, 9 June, 2003

নৃপেন্দ্ৰ নাৰায়ণ সিংহৰ স্মৃতি যুগমীয়া কৰাৰ আহ্বান স্মৃতিচাৰণ সভাত

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৯ জানুৱাৰী ঃ ক্ৰীড়া জগতৰ অগ্ৰণী পুৰুষ নৃপেন্দ্ৰ নাৰায়ণ সিংহৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ বাবে ক্ৰীড়া বিভাগে অহোপুৰুষাৰ্থ কৰিব। আজি ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত স্মৃতিচাৰণ সভাত ক্ৰীড়া সঞ্চালক অঞ্জন শৰ্মাই বিভিন্নজনৰ পৰামৰ্শৰ অন্ত ধৰি বিষয়টো ক্ৰীড়ামন্ত্ৰীক অৱগত কৰিব বুলি সদৰি কৰে। ক্ৰীড়াৰ বাবে সমৰ্পিত প্ৰাণ হিচাপে চিহ্নিত নৃপেন্দ্ৰ নাৰায়ণ সিংহৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি অৰ্পণেৰে আৰম্ভ হোৱা সভাত সভাপতিত্ব কৰি বিশিষ্ট ক্ৰীড়া সাংবাদিক তথা সংগঠক প্ৰেমধৰ শৰ্মাই ক্ৰীড়া জগতৰ পুৰোধা ব্যক্তি নৃপেন্দ্ৰ নাৰায়ণ সিংহ ষাঠী-সত্তৰৰ দশকত অনেক বাতৰিৰ উৎস আছিল বুলি উনুকিয়াই কয় 'সকলোৰে শ্ৰদ্ধাৰ 'নৃপেন দা' আছিল অসমৰ ক্ৰীড়াক্ষেত্ৰৰ নিৰহ-নিপানী ব্যক্তি, অজাত শত্ৰু। আজিৰ ক্ৰীড়া সংগঠক সমাজৰ বাবে আদৰ্শ। প্ৰকৃতাৰ্থত অসমৰ আধুনিক ক্ৰীড়াক্ষেত্ৰখনত ৰূপকাৰ হিচাপে ঠাই পোৱা ৰাধাগোবিন্দ বৰুৱা, নুৰুল আমিন আদিৰ পিছত শেষজন প্ৰতিনিধি আছিল। তেওঁৰ মৃত্যুৱে অসমৰ ক্ৰীড়া ক্ষেত্ৰখনৰ বাবে অপূৰণীয় ক্ষতি হৈ ৰ'ল কিন্তু তেওঁৰ স্মৃতি, কৰ্মৰাজিয়ে অসমৰ ক্ৰীড়াক্ষেত্ৰক উজ্জীৱিত কৰি ৰাখিব ৰখিব। বিশিষ্ট ক্ৰীড়া সংগঠক তপন দত্তই নৃপেন্দ্ৰ নাৰায়ণ সিংহক একাধাৰে সংগঠক, প্ৰশাসক, খেল পৰিচালক আছিল বুলি আখ্যা দিয়ে। আনহাতে, প্ৰখ্যাত ধাৰাভাষ্যকাৰ দীপু চৌধুৰীয়ে আহোম ৰজা পুৰন্দৰ সিংহৰ পৰিনাতি নৃপেন্দ্ৰ নাৰায়ণ সিংহৰ সৈতে কটোৱা সময়বোৰ স্মৰণ কৰি তেওঁ সাৰ্থক অৰ্থত এগৰাকী ক্ৰীড়াবিদ আছিল বুলি কয়। গুৱাহাটী ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি ৰাণা গোস্বামীয়ে সকলোৰে শ্ৰদ্ধাৰ নৃপেন দা'ৰ জীৱন দৰ্শন অসমৰ উঠি অহা ক্ৰীড়া প্ৰজন্মৰ বাবে উদাহৰণ হৈ ৰ'ব বুলি কয়। অভিৰুচি গোষ্ঠীৰ অধ্যক্ষ বলেন্দ্ৰ মোহন চক্ৰৱৰ্তী আৰু প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ তৈয়বুন নেছাই নৃপেন্দ্ৰ নাৰায়ণ সিংহৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ বাবে অসমৰ ক্ৰীড়া আন্তঃগাঁথনি তেওঁৰ নামত দিয়াৰ কথা ভাষণ প্ৰসংগত উত্থাপন কৰে। স্মৃতিচাৰণ সভাত নগেন্দ্ৰ নাথ বৰ্মণ, পুলক গোস্বামী, ফুটবলৰ নীৰেন মেচ আৰু ক্ৰীড়া লেখক জিন্নত আৰা আহমেদে বক্তব্য ৰাখে। প্ৰণব শইকীয়াই আঁত ধৰা সভাত নৃপেন্দ্ৰ নাৰায়ণ সিংহৰ স্মৃতিত শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

স্মৃতিচাৰণ সভাত অংশগ্ৰহণ কৰা বিশিষ্ট ক্ৰীড়াবিদ-সংগঠকসকলক দেখা গৈছে। ছবি ঃ তীৰ্থ কুমাৰ শৰ্মা

আজিৰ অসম সোমবাৰ ২৫ জেঠ ১৯২৫ শক, ৯ জুন ২০০৩ চন

নৃপেন্দ্ৰ নাৰায়ণ সিংহ ক্ৰীড়া সংগঠক বঁটা প্ৰদান

ক্ৰীড়া প্ৰতিনিধি, গুৱাহাটী, ৮ জুন ঃ অসমৰ খেলুৱৈক আৰু অধিক উন্নত প্ৰদৰ্শন কৰাৰ বাবে উৎসাহ দিয়াৰ উদ্দেশ্যে কেন্দ্ৰৰ অৰ্জুন বঁটা দৰে বঁটা প্ৰদান প্ৰচলন কৰাৰ কথা চিন্তা কৰিছে ৰাজ্য চৰকাৰে। আজি সন্ধিয়া স্থানীয় প্ৰেছ ক্লাবত অনুষ্ঠিত নৃপেন্দ্ৰ নাৰায়ণ সিংহ ক্ৰীড়া সংগঠক বঁটা বিতৰণী অনুষ্ঠানত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে এই কথা প্ৰকাশ কৰিছে। প্ৰথমবাৰলৈ এই বঁটা প্ৰদান কৰা হয় ক্ৰীড়া সংগঠক পুলিন দাসক। বঁটাটো আগবঢ়ায় নৃপেন্দ্ৰ নাৰায়ণ সিংহ ক্ৰীড়া সংগঠক পুৰস্কাৰ ট্ৰাষ্টে। বিশিষ্ট ক্ৰীড়া সংগঠক দাসক এখন মানপত্ৰৰ উপৰি দহ হাজাৰ টকা আগবঢ়োৱা হয়। অনুষ্ঠানত সংক্ষিপ্ত ভাষণত মুখ্যমন্ত্ৰীয়ে কয় ৰাজ্যখনৰ আৰ্থিক দিশ টনকীয়াল নোহোৱাৰ হেতু ক্ৰীড়াবিদক সকলো সময়তে ৰাজ্য চৰকাৰে পুৰস্কাৰ দিয়াটো সম্ভৱ নহয়। অৱশ্যে চৰকাৰে চেষ্টাৰ ত্ৰুটী কৰা নাই। যাৰ বাবে অসমে ২০০৫ চনত ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লৈছে যাতে ৰাজ্যখনত নতুন ক্ৰীড়াৰ আন্তঃগাঁথনিৰ লগতে খেলুৱৈ সকলক সুবিধা প্ৰদান কৰা সম্ভৱ হয়। সেয়ে ৰাজ্য চৰকাৰে অৰ্জুন বঁটাৰ দৰে বঁটা প্ৰচলনৰ কথা ভাবিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। অনুষ্ঠানত ক্ৰীড়ামন্ত্ৰী ৰকিব ৰহমানলৈ, যাৰ নামত এই পুৰস্কাৰ সেই নৃপেন্দ্ৰ নাৰায়ণ সিংহ আৰু অনেক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।



মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে কালি প্ৰেছ ক্লাবত পুলিন দাসক নৃপেন্দ্ৰ নাৰায়ণ সিংহ ক্ৰীড়া সংগঠনক বঁটা প্ৰদান কৰাৰ মুহূৰ্তত আজিৰ অসমৰ গোহৰ ছবিত।

এক সভাত
নৃপেন্দ্ৰ নাৰায়ণ
সিংহ

ৰাজ্যিক ক্ৰীড়া পৰিষদৰ
তৰফৰ পৰা হকীৰ
যাদুকৰ ধ্যানচাঁদক
বৰঝাৰ বিমানবন্দৰত
আদৰণি জনোৱাৰ
সময়ত

ৰাজ্যিক ক্ৰীড়া পৰিষদে ৰাষ্ট্ৰীয় প্ৰতিযোগিতালৈ
পঠিওৱা দলৰ সৈতে নৃপেন্দ্ৰ নাৰায়ণ সিংহ

অভিৰুচি ক্ৰীড়া দিৱসৰ অনুষ্ঠানত ডাঃ টি আওৰ সৈতে নৃপেন্দ্ৰ নাৰায়ণ সিংহ

যোৰহাট ষ্টেডিয়ামত শশী প্ৰসাদ বৰুৱাৰ তোৰণ উন্মোচন কৰাৰ সময়ত নৃপেন্দ্ৰ নাৰায়ণ সিংহ

ক্ৰীড়া সংগঠক তৰুণ চন্দ্ৰ সভাপণ্ডিতৰ সম্বৰ্দ্ধনা সভাত

নৃপেন্দ্ৰ নাৰায়ণ সিংহৰ যোৰহাটৰ গৃহত শশী প্ৰসাদ বৰুৱা স্মৃতিৰক্ষা সমিতিৰ সম্বৰ্দ্ধনা

গুৱাহাটীৰ এক অনুষ্ঠানত

অসমৰ ক্ৰীড়া জগতৰ দুই প্ৰখ্যাত তাৰকা পুলিন দাস, মনোৰঞ্জন বেনাৰ্জীৰ সৈতে নৃপেন্দ্ৰ নাৰায়ণ সিংহ

গুৱাহাটীৰ এক বিশেষ অনুষ্ঠানত

লোকেশ্বৰ গগৈৰ
বিশ্ব ফুটবল
শীৰ্ষক গ্ৰন্থ
উন্মোচনী অনুষ্ঠানত
নৃপেন্দ্ৰ নাৰায়ণ সিংহ

অনন্ত
শয়নত
নৃপেন্দ্ৰ
নাৰায়ণ
সিংহ

কেন্দ্ৰীয় মন্ত্ৰী
বিজয় কৃষ্ণ
সন্দিকৈ
ডাঙৰীয়াই
নৃপেন্দ্ৰ নাৰায়ণ
সিংহৰ
শৱ দেহত
পুষ্পাঞ্জলি
প্ৰদান কৰিছে।

ক্ৰীড়া
ভৱনত
স্মৃতিচাৰণ
সভা

যোৰহাট
জিলা ক্ৰীড়া
সন্থাৰ ক্ৰীড়া
ভৱনত প্ৰথম
স্মৃতিচাৰণ
সভা



নৃপেন্দ্ৰ নাৰায়ণ সিংহৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে তেখেতৰ লৰালি কালৰ আত্মীয় শ্ৰী বদন চন্দ্ৰ গগৈ ডাঙৰীয়াই যোৰহাট জিলা ক্ৰীড়া ভৱনত স্মৃতি চাৰণ কৰা দেখা গৈছে।

টেবল টেনিছ খেলুৱৈৰ ৰূপত নৃপেন্দ্ৰ নাৰায়ণ সিংহ। কাষত কুমুদ শৰ্মা।

ন্যাসৰ প্ৰথম
খন সভাত
কেন্দ্ৰীয় মন্ত্ৰী
বিজয় কৃষ্ণ
সন্দিকৈ

অসমৰ ক্ৰীড়া নীতিক
লৈ যোৰহাট ক্লাবে
সোণালী জয়ন্তী
অনুষ্ঠানত আয়োজন
কৰা অনুষ্ঠানত নৃপেন্দ্ৰ
নাৰায়ণ সিংহ



নৃপেন্দ্ৰ নাৰায়ণ
সিংহই ৰাধা
গোবিন্দ বৰুৱাৰ
আৱক্ষ মূৰ্তিত
মাল্যাৰ্পণ কৰা
দেখা গৈছে।

নৃপেন্দ্ৰ নাৰায়ণ
সিংহৰ স্মৃতিত
প্ৰৱৰ্তিত ক্ৰীড়া
সংগঠক বঁটা
প্ৰেম ডেকাক
প্ৰদান কৰা
দেখা গৈছে।

বিশিষ্ট ফুটবলাৰ,
সংগঠক নৃপেন্দ্ৰ
নাৰায়ণ সিংহই
ক্ৰীড়া পৰিষদৰ
পৰা
বিত্তীয় সাহায্য
প্ৰদানৰ মুহূৰ্ত।